**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-10-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## ***HEADLINES***

১। জাপানৰ আইচি নাগ'য়াত অনুষ্ঠিত এছিয়ান গেমছত লাভলীনা বৰগোহাঁয়ে আজি মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম ওজন শাখাত সোণৰ পদক অৰ্জন কৰি ইতিহাস ৰচনা কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে খেলুৱৈগৰাকীক অভিনন্দন জনাইছে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে, যে বিশ্বত শান্তি বৰ্তাই ৰখাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অক্লান্ত প্ৰচেষ্টাত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে কৰা প্ৰশংসাই প্ৰতিগৰাকী ভাৰতীয়কে গৌৰৱান্বিত কৰি তুলিছে।

৩। ৰাষ্ট্ৰই আজি জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৭ সংখ্যক জয়ন্তীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। বিভিন্ন দেশত থকা ভাৰতীয় কূটনৈতিক মিছনসমূহতো গান্ধীজীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হৈছে।

*আৰু*

৪। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে আমেৰিকাৰ মিলৱাওকীত অনুষ্ঠিত জি-২০ ৰাষ্ট্ৰগোষ্ঠীৰ বাণিজ্য মন্ত্ৰীসকলৰ বৈঠকৰ সময়ত কেইবাখনো দেশৰ বাণিজ্য মন্ত্ৰীৰে দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

00000000

জাপানৰ আইচি নাগ'য়াত অনুষ্ঠিত এছিয়ান গেমছত ভাৰতীয় এথলীটসকলৰ সুন্দৰ প্ৰদৰ্শনৰ ধাৰা অব্যাহত আছে। লাভলীনা বৰগোহাঁয়ে আজি মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম ওজন শাখাত সোণৰ পদক অৰ্জন কৰি ইতিহাস ৰচনা কৰে। লাভলীনাই  ফাইনেলত চীনৰ বাও ঝিয়িক ৫-০ৰ ফলাফলত পৰাস্ত কৰে। ইয়াৰ লগে লগে লাভলীনা এছিয়ান গেমছৰ মহিলাৰ বক্সিঙত সোণৰ পদক অৰ্জন কৰা দ্বিতীয়গৰাকী ভাৰতীয় বক্সাৰ ৰূপে পৰিগণিত হয়। ইয়াৰ পূৰ্বে ২০১৪ চনত মেৰী কমে এছিয়ান গেমছত দেশৰ হকে সোণৰ পদক লাভ কৰিছিল।

একেদৰে, ভাৰতৰ মহিলা আৰ্চাৰী দলে আজি ৰিকাৰ্ভ শাখাৰ দলীয় শিতানত সোণৰ পদক লাভ কৰে। অংকিতা ভকত, কীৰ্তি শৰ্মা আৰু কুমকুম অনিল মোহোড়ক লৈ গঠিত ভাৰতীয় দলটোৱে ফাইনেলত বিশ্ব চেম্পিয়ন তথা ১০ বাৰৰ অলিম্পিক চেম্পিয়ন দক্ষিণ কোৰিয়াক ৫-৩ৰ ফলাফলত পৰাভূত কৰে। এছিয়ান গেমছৰ ইতিহাসত মহিলাৰ ৰিকাৰ্ভ শাখাৰ দলীয় শিতানত এয়া ভাৰতৰ প্ৰথমটো স্বৰ্ণপদক। ভাৰতে পুৰুষৰ ৰিকাৰ্ভ আৰ্চাৰী শিতানতো ৰূপৰ পদক লাভ কৰে। ধীৰাজ বোম্মাদেৱৰা, য়শদীপ সঞ্জয় ভোগে আৰু নীৰজ চৌহানক লৈ গঠিত ভাৰতীয় দলটোৱে ফাইনেলত দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে ১-৫ ফলাফলত পৰাভূত হৈ ৰূপৰ পদকতে সন্তুষ্ট থাকিবলগীয়া হয়।

ভাৰতে আৰ্চাৰীৰ মিক্সড ৰিকাৰ্ভ শাখাতো ৰূপৰ পদক অৰ্জন কৰে। কুমকুম অনিল মোহোড় আৰু ধীৰাজ বোম্মাদেৱৰা আজি ফাইনেলত চীনৰ প্ৰতিদ্বন্দ্বিৰ বিৰুদ্ধে ৩-৫ৰ ফলাফলত পৰাজিত হয়। নাও চালনাত নেত্ৰা

কুমাননে মহিলাৰ ডিঙা শিতানত ব্ৰঞ্জৰ পদক হস্তগত কৰে। ২৯ বছৰীয়া ভাৰতীয় খেলুৱৈগৰাকীয়ে এই শিতানত ১৪ পইণ্টেৰে সামগ্ৰীকভাৱে তৃতীয় স্থান লাভ কৰে।

ভাৰত এছিয়ান গেমছত এতিয়ালৈকে ১২টা সোণ, ২৫টা ৰূপ আৰু ৩৪টা ব্ৰঞ্জ পদকসহ মুঠ ৭১টা পদেকেৰে তালিকাৰ ষষ্ঠ স্থানত হৈছে।

00000000

জাপানত চলি থকা এছিয়ান গেমছত মহিলাৰ ৭৫ কিলোগ্ৰাম বক্সিং শাখাত সোণৰ পদক লাভ কৰা লাভলীনা বৰগোহাঁইক ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে বক্সিং ৰিঙত খেলুৱৈগৰাকীৰ শক্তি, দৃঢ়তা আৰু নিষ্ঠাই দেশলৈ গৌৰৱ কঢ়িয়াই আনিলে। ৰাষ্ট্ৰপতিয়ে কয়, যে জন্মদিনত সোণৰ পদক লাভ কৰা বিষয়টোৱে স্বাভাৱিকতে খেলুৱৈগৰাকীৰ জন্মদিনক অধিক বিশেষ কৰি তুলিলে। শ্ৰীমতী মুৰ্মুৱে লগতে এছিয়ান গেমছৰ আৰ্চাৰীৰ ৰিকাৰ্ভ শিতানত মহিলাৰ দলীয় শাখাত প্ৰথমবাৰৰ বাবে দেশলৈ সোণৰ পদক অনা অংকিতা ভকত, কুমকুম অনিল মোহোড় আৰু কীৰ্তি শৰ্মাকো অভিনন্দন জনায়। আৰ্চাৰীৰ ৰিকাৰ্ভ শিতানৰ মিক্সড দলীয় শাখাত ৰূপৰ পদক অৰ্জন কৰা ধীৰাজ বোম্বাদেৰৰা আৰু কুমকুম অনিল মোহোড়কো ৰাষ্ট্ৰপতিয়ে অভিনন্দন জনায়। এই সাফল্যক ঐতিহাসিক আখ্যা দি শ্ৰীমতী মুৰ্মুৱে কয়, যে খেলুৱৈ দুগৰাকীৰ উৎকৃষ্ট প্ৰদৰ্শনৰ জৰিয়তে ভাৰতে এছিয়ান গেমছত এই শাখাত প্ৰথমবাৰৰ বাবে ৰূপৰ পদক অৰ্জন কৰিবলৈ সমৰ্থ হ'ল।

0000000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে, যে বিশ্বত শান্তি বৰ্তাই ৰখাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অক্লান্ত প্ৰচেষ্টাত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে কৰা প্ৰশংসাই প্ৰতিগৰাকী ভাৰতীয়কে গৌৰৱান্বিত কৰি তুলিছে। শ্ৰীশ্বাহে কয়, যে মহাত্মা গান্ধীৰ জয়ন্তীৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰপতি পুটিনে দিয়া বিবৃতিত কোৱা হৈছে, যে নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰত এতিয়া বিশ্ব শান্তিৰ আস্থাপূৰ্ণ কণ্ঠ হিচাপে পৰিগণিত হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে যুদ্ধ, সংঘাত আৰু অস্থিৰতাৰ সময়ত শ্ৰীমোদীয়ে যুদ্ধক্ষেত্ৰত সমস্যাৰ সমাধান নহয় বুলি উল্লেখ কৰি আলোচনা আৰু কূটনৈতিক ভাৱেহে সমস্যাৰ সমাধান সম্ভৱ বুলি বাৰ্তা দি আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত যুদ্ধই হওক বা প্ৰাকৃতিক দুৰ্যোগেই হওক, ভাৰতে সদায় সহায়ৰ হাত আগবঢ়াই আহিছে বুলি শ্ৰীশ্বাহে প্ৰকাশ কৰে। গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে এই কথাই ভাৰতৰ অন্তহীন পৰম্পৰা বসুধৈৱ কুটুম্বকম নীতিক নতুন পৰিচয় প্ৰদান কৰিছে। ইয়াৰ বাবেই যিকোনো গোলকীয় সংকটৰ মুহূৰ্তত ভাৰতৰ কণ্ঠত সকলোৱে সমীহ কৰি আহিছে বুলিও শ্ৰীশ্বাহে প্ৰকাশ কৰে।

0000000

মহাৰাষ্ট্ৰৰ অমৰাৱতী জিলাৰ নাগপুৰ-মুম্বাই সমৃদ্ধি এক্সপ্ৰেছৱেত আজি নিচেই পুৱাতে সংঘটিত এটা পথ দুৰ্ঘটনাত কমেও ৫ জন লোকৰ মৃত্যু হোৱাৰ লগতে ২১ জন লোক আহত হয়। ছিগাঁৱৰ পৰা ৱাৰ্ধা অভিমুখে এখন টেম্প'ত ভক্তসকলে মা দুৰ্গাৰ এটা মূৰ্তি  লৈ যোৱাৰ সময়ত এখন ট্ৰাকৰ সৈতে হোৱা সংঘৰ্ষৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। আহতসকলক শীঘ্ৰে ধমনগাঁও গ্ৰাম্য চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ইয়াৰে গুৰুতৰভাৱে আহত কেইবাজনকো ৱাৰ্ধা চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়।

00000000

সমগ্ৰ ৰাষ্ট্ৰই আজি জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৭ সংখ্যক জয়ন্তীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। জয়ন্তী উপলক্ষে ৰাষ্ট্ৰীয় ৰাজধানীত থকা জাতিৰ পিতা মহাত্মা গান্ধীৰ সমাধি ৰাজঘাটত আজি সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই সভাত অংশগ্ৰহণ কৰে আৰু জাতিৰ পিতা মহাত্মা গান্ধীলৈ পুষ্পাৰ্ঘ্য নিবেদন কৰে। উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, কেন্দ্ৰীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লাল আৰু দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তায়ো ৰাজঘাটত মহাত্মা গান্ধীলৈ শ্ৰদ্ধা নিবেদন কৰে।

দেশবাসীয়ে লগতে লাল বাহাদুৰ শাস্ত্ৰীৰ ১২২ সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, জে পি নাড্ডা, কিৰেণ ৰিজুজু, অৰ্জুন ৰাম মেঘৱাল, জিতেন্দ্ৰ সিং আৰু এল মুৰুগনে আজি নতুন দিল্লীস্থিত সংবিধান সদনত মহাত্মা গান্ধী আৰু লাল বাহাদুৰ শাস্ত্ৰীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নিতীন নবিন, কংগ্ৰেছৰ সভাপতি তথা ৰাজ্যসভাৰ বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গে, লোকসভাৰ বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধী, কেইবাগৰাকীও সাংসদ, সংসদৰ জ্যেষ্ঠ বিষয়া আৰু স্কুলীয়া শিক্ষাৰ্থীয়েও নেতা দুগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে।

OOOOOOOO

বিশ্বৰ বিভিন্ন দেশত থকা ভাৰতীয় কূটনৈতিক মিছনসমূহে মহাত্মা গান্ধীৰ জন্ম বাৰ্ষিকী উপলক্ষে শ্ৰদ্ধা নিবেদন কৰিছে। দূতাবাসসমূহে লগতে বাপুজীৰ সত্য, অহিংসা আৰু শান্তিৰ কালজয়ী আদৰ্শকো স্মৰণ কৰে। গান্ধী জয়ন্তী আৰু আন্তঃৰাষ্ট্ৰীয় অহিংসা দিৱস উপলক্ষে অষ্ট্ৰেলিয়াৰ ভাৰতীয় উচ্চায়ুক্তই কেনবেৰাৰ গ্লিব পাৰ্কৰ মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি তৰ্পন কৰে।

জাপানত থকা ভাৰতীয় ৰাষ্ট্ৰদূত নাগমা মালিকে এডোগাৱা ৱাৰ্ডৰ বিষয়া আৰু ভাৰতীয় সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে টকিঅ'ত মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পনেৰে শ্ৰদ্ধা জনায়। তেওঁলোকে লগতে মহাত্মা গান্ধীৰ জীৱন আৰু আদৰ্শ  সন্দৰ্ভত আলোকপাত কৰে।

নিউজিলেণ্ডত ভাৰতীয় উচ্চায়ুক্ত মুয়ানপুই ছাইয়াৱীয়ে অন্যান্য বিশিষ্ট ব্যক্তিসকলৰ সৈতে গান্ধীৰ জীৱন, শিক্ষা আৰু বৰ্তমানৰ পৃথিৱীত ইয়াৰ প্ৰাসংগিকতাক সুৱঁৰি তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনায়। তদুপৰি কম্বোডিয়াত ভাৰতীয় ৰাষ্ট্ৰদূত ভানলালভাৱনা বাৰিটলুঙে দূতাবাসৰ বিষয়া আৰু ভাৰতীয় সমুদায়ৰ সদস্যসকলৰ সৈতে গান্ধীৰ আৱক্ষ মূৰ্তিত শ্ৰদ্ধা নিবেদন কৰে। তেওঁলোকে মহাত্মাৰ শান্তি, সত্য আৰু অহিংসাৰ কালজয়ী আদৰ্শৰ প্ৰতি

সন্মান প্ৰদৰ্শন কৰে। ইপিনে ভাৰতত থকা নৰৱেৰ ৰাষ্ট্ৰদূত মে-এলিন ষ্টেনাৰে সাবৰমতী আশ্ৰম ভ্ৰমণৰ কথা সুঁৱৰি গান্ধীৰ বাৰ্তাৰ চিৰস্থায়ী প্ৰাসংগিকতাত আলোকপাত কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত ষ্টেনাৰে কয় যে গান্ধীজীৰ বাৰ্তাই আজিও মানুহক অনুপ্ৰাণিত কৰি আহিছে।

০০০০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে আমেৰিকা যুক্তৰাষ্ট্ৰৰ মিলৱাওকীত অনুষ্ঠিত জি-২০ ৰাষ্ট্ৰগোষ্ঠীৰ বাণিজ্য মন্ত্ৰীসকলৰ বৈঠকৰ অৱসৰত ফ্ৰান্স, কানাডা, চৌদি আৰৱ আৰু দক্ষিণ কোৰিয়াৰ বাণিজ্য মন্ত্ৰীসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। ফ্ৰান্সৰ বাণিজ্য মন্ত্ৰী নিকোলাছ ফৰিছিয়েৰৰ সৈতে হোৱা বৈঠকত মন্ত্ৰী গোৱেলে দুয়োখন দেশৰ মাজত বাণিজ্য আৰু বিনিয়োগ চুক্তিৰ সম্প্ৰসাৰণৰ উপায়কে ধৰি ভাৰত-ইউৰোপীয়ন ইউনিয়ন বাণিজ্য চুক্তিৰ বিষয়ে আলোচনা কৰে। এই বৈঠকত মহাকাশ সহযোগিতা বিমান নিৰ্মাণ, ইউ পি আই সহযোগিতা আৰু যৌথ উদ্ভাৱন সন্দৰ্ভতো আলোচনা হয়। মন্ত্ৰী গোৱেলে কানাডাৰ আন্তৰ্জাতিক বাণিজ্য মন্ত্ৰী মনিন্দৰ সিদ্ধুৰ সৈতেও ফলপ্ৰসূ আলোচনাত মিলিত হয়। মন্ত্ৰী দুগৰাকীয়ে চলিত ইণ্ডিয়া-কানাডা বিস্তাৰিত অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিৰ পুনৰীক্ষণ কৰে আৰু আলোচনা অধিক আগবঢ়াই নিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নি চলিত বছৰৰ মাৰ্চত এই চুক্তিত উপনীত হৈছে। ইয়াৰ জৰিয়তে ২০৩০ চনৰ ভিতৰত দুয়োখন দেশৰ মাজত বাণিজ্য ৫০ বিলিয়ন আমেৰিকান ডলাৰলৈ বৃদ্ধিৰ লক্ষ্য লোৱা হয়।

চৌদি আৰৱৰ বাণিজ্য মন্ত্ৰী মাজিদ বিন অব্দুল্লা অল-কাচ্ছাবীৰ সৈতে হোৱা বৈঠকত শ্ৰীগোৱেলে ভাৰত-উপসাগৰীয় সহযোগিতা পৰিষদ মুক্ত বাণিজ্য চুক্তিৰ অগ্ৰগতি সন্দৰ্ভত কথা পাতে। তেওঁলোকে লগতে দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক বাণিজ্য আৰু বিনিয়োগ চুক্তিক শক্তিশালী কৰি তোলা সন্দৰ্ভতো আলোচনা কৰে।

বাণিজ্য মন্ত্ৰী গোৱেলে দক্ষিণ কোৰিয়াৰ বাণিজ্য মন্ত্ৰী পাৰ্ক জুং-ছুঙকো সাক্ষাৎ কৰে। তেওঁলোকৰ আলোচনাত ভাৰত কোৰিয়া বিস্তাৰিত অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিৰ প্ৰস্তাৱিত সংশোধনে স্থান পায়। তেওঁলোকে ভাৰতীয় কৃষি, ঔষধ আৰু সামুদ্ৰিক উৎপাদনত উন্নত বজাৰ সন্দৰ্ভতো মত-বিনিময় কৰে। মন্ত্ৰী দুগৰাকীয়ে ভাৰতত কোৰিয়াৰ নিৰ্মাণ খণ্ডৰ বিনিয়োগৰ বৃদ্ধি সন্দৰ্ভতো আলোচনা কৰে।

০০০০০০০০

সমাপ্ত